Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

অর্থনীতি আৰু ৰাজনীতি খণ্ডৰ আগকথা

পাঠ - ২০

অর্থনৈতিক উন্নয়নত চৰকাৰৰ ভূমিকা

অংশ – ১

দর্শনা তালুকদাৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

চৰকাৰ

- এখন দেশৰ সাংগঠনিক মুৰব্বী হ'ল চৰকাৰ।
- এখন দেশৰ সকলো কাম চোৱা-চিতা কৰে।
- চৰকাৰ জনসাধাৰণৰ কল্যাণ আৰু উন্নয়নৰ প্ৰতি দায়বদ্ধ।

মূল লক্ষ্য —

- জনসাধাৰণৰ সামগ্ৰিক উন্নয়ন আৰু বিকাশ কৰাটোৱেই চৰকাৰৰ মূল লক্ষ্য।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সেয়েহে দেশৰ উন্নয়ণৰ আৰু কল্যাণৰ চিন্তা অগ্রাধিকাৰ দি চৰকাৰে এনে কিছুমান কাম কৰিব লাগে, যিয়ে ভৱিষ্যতে দেশখনক বিশ্বৰ আন আন উন্নত দেশবোৰৰ লগত খোজ মিলাব পৰাকৈ সমর্থ কৰি তোলে।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আন্তঃগাঁথনি উন্নয়ন

- দেশ এখনৰ আন্তঃগাঁথনি মজবুত নহ'লে উন্নয়ণমূলক কাম-কাজৰ বিকাশ সাধন হ'ব নোৱাৰে।
- সেয়েহে চৰকাৰে আন্তঃগাঁথনিমূলক কাম-কাজত অধিক গুৰুত্ব দিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- অৰ্থনৈতিক উন্নয়নৰ মৌলিক উপাদানসমূহ হ'ল-
  - ৰাস্তা-ঘাট
  - দলং
  - গৃহ
  - যাতায়াত ব্যৱস্থা
  - যোগাযোগ ব্যৱস্থা
  - জলসিঞ্চন
  - খোৱা পানী
  - চিকিৎসালয়
  - বিদ্যালয়
  - বিজুলী যোগান
  - টেলিফোন সেৱা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- এই উপাদানসমূহক আন্তঃগাঁথনিগত সুবিধা বুলি জনা যায়।
- আন্তঃগাঁথনি মানে কোনো কার্য কৰিবৰ বাবে বুনিয়াদী আৰু অত্যন্ত আৱশ্যকীয় সা-সুবিধা, যি অবিহনে অর্থনৈতিক উন্নয়ন সম্ভৱ হ'ব নোৱাৰে।
- অর্থনৈতিক উন্নয়নৰ বাবে আন্তঃগাঁথনি অতি প্রয়োজনীয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সেই বাবে চৰকাৰে প্ৰধান কাম হিচাপে দেশৰ আন্তঃগাঁথনি উন্নত কৰাৰ প্ৰচেষ্টা হাতত লয় যাতে কৃষি, উদ্যোগ, সেৱাকে ধৰি সকলো দিশৰ কাম সফলতাৰে সম্পন্ন হয়।
- অৰ্থনৈতিক উন্নয়নৰ বাবে উৎপাদন বৃদ্ধি অতি গুৰুত্বপূৰ্ণ।
- অধিক উৎপাদনৰ ফলত দেশৰ উপাৰ্জন বা আয় বৃদ্ধি পায়।
- ৰাষ্ট্ৰীয় আয় বৃদ্ধি হোৱা মানে দেশ এখন উন্নতিৰ পথত অগ্ৰসৰ হোৱা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা

- বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতিয়ে সমগ্ৰ বিশ্বকে প্ৰভাৱিত কৰিছে।
- গ্ৰামাঞ্চল আৰু চহৰ অঞ্চলসমূহ দ্ৰুতগতিত পৰিৱৰ্তন হৈছে।
- পৰিৱৰ্তনশীল পৰিস্থিতিত চৰকাৰে দেশ আৰু জনকল্যাণৰ স্বাৰ্থত কিছুমান বিশেষ আঁচনি গ্ৰহণ কৰে যাতে জনসাধাৰণে প্ৰয়োজনীয় সা-সুবিধা লাভ কৰিব পাৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অৰ্থনৈতিক উন্নয়নত চৰকাৰে লোৱা পদক্ষেপ

- দেশৰ আন্তঃগাঁথনি বৃদ্ধি আৰু উন্নয়নৰ বাবে চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে —

1. যাতায়ত ক্ষেত্ৰ
2. শিক্ষা ক্ষেত্ৰ
3. স্বাস্থ্য ক্ষেত্ৰ
4. কৃষি ক্ষেত্ৰ
5. যোগাযোগ ক্ষেত্ৰ
6. বিদ্যুৎ সেৱা ক্ষেত্ৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১. যাতায়ত ক্ষেত্ৰ



✦ উন্নয়নৰ এক উল্লেখনীয় বুনিয়াদ হৈছে যাতায়ত ব্যৱস্থা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সমাজৰ উন্নয়ন আৰু প্ৰগতিৰ বাবে যাতায়ত ব্যৱস্থা অতি প্ৰয়োজনীয়।
- কৃষি, উদ্যোগ আৰু সেৱা সকলো খণ্ডত উৎপাদনশীল কাম-কাজসমূহ মূলতঃ উন্নত যাতায়তৰ ওপৰত নিৰ্ভৰশীল।
- সেয়েহে উন্নয়মূলক কামৰ তালিকাত যাতায়ত ব্যৱস্থাক চৰকাৰে আগস্থান দিয়ে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰাষ্ট্ৰীয় ঘাইপথ

- আমাৰ চৰকাৰে ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে চাৰিলেনযুক্ত ৰাস্তা নিৰ্মান কৰিছে।
- ৰাষ্ট্ৰীয় ঘাইপথৰ কৰ্তৃপক্ষ (NHAI- National Highway Authority of India)ই ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ বিকাশ তত্বাৱধান আৰু পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- চাৰিলেনযুক্ত ৰাস্তাবোৰৰ সুবিধা- এই ৰাস্তাবোৰ কংক্রিটেৰে নির্মাণ কৰা হয় বাবে ই সহজে ভাগি নাযায়।
- এনে ৰাস্তাবোৰ বহল আৰু পোন হোৱাৰ বাবে দুয়ো দিশৰ পৰা অহা যান-বাহনবোৰৰ গতি সুষম হয়।
- এনে ধৰণৰ যাতায়ত ব্যৱস্থা থাকিলে উদ্যোগ প্রতিষ্ঠা কৰিবলৈ মানুহ আগ্রহী হয়। মেচিন কেঁচামাল আৰু বিভিন্ন বস্তুৰ আমদানি আৰু ৰপ্তানি খৰতকীয়া হয়।
- এনে পথে দেশৰ ইমূৰ-সিমূৰ সাঙুৰি লয় আৰু একেবাৰে ভিতৰুৱা অঞ্চলৰ ৰাস্তাবোৰো এই পথবোৰৰ লগত সংযোজিত হোৱাৰ বাবে যাতায়তৰ ক্ষেত্রত কোনো অসুবিধা নাথাকে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- আমাৰ চৰকাৰে অকল চাৰিলেনযুক্ত ৰাস্তাই নহয়, দেশৰ বিভিন্ন প্ৰান্তৰ ৰেলপথ, নদীবোৰ সংযোগী দলং, বাছ সেৱা আদি নিৰ্মাণ কৰি যাতায়ত ব্যৱস্থা অধিক আধুনিক আৰু বিজ্ঞানসন্মত কৰি তুলিছে।
- গ্ৰাম্য যাতায়ত ব্যৱস্থাৰ উন্নতিৰ বাবেও চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে।
- ২০২১ চনৰ তথ্য অনুসৰি ৬২ লাখতকৈ অধিক পথদৈৰ্ঘৰে সৈতে ভাৰতে 'ৰোড নেটৱৰ্ক'ৰ ক্ষেত্ৰত বিশ্ব ৰেংকত দ্বিতীয় স্থান লাভ কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই দৈর্ঘ প্রায় ১.৩৬ লাখ কিলোমিটাৰ ৰাষ্ট্রীয় ঘাইপথ, ১.৭৭ লাখ কিলোমিটাৰ এক্সপ্রেছ আৰু অন্যান্য ৰাজ্যিক তথা জিলা পর্যায়ৰ পথক সামৰি লৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জানি থওঁ আহা

- অসমত বৰ্তমান ৩৯ টা ৰাষ্ট্ৰীয় ঘাইপথ।
- এই ঘাইপথসমূহে ৰাজ্যখনৰ ৩৯০০.৪৪ কিলোমিটাৰ দৈর্ঘ্যৰ পথসমূহ সামৰি লৈছে।
- বৰ্তমানলৈ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত থকা পাঁচখন দলং হ'ল —
  - শৰাইঘাট দলং
  - কলিয়া ভোমোৰা দলং

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- নৰনাৰায়ণ সেতু
- শৰাইঘাটৰ দ্বিতীয়খন দলং
- বগীবিল দলং
- ডঃ ভূপেন হাজৰিকা সেতু, ২০১৬।
- ভাৰতৰ ভিতৰতে পানীৰ ওপৰত নির্মিত আটাইতকৈ দীঘল দলং।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



ৰে'ল সেৱা

- ভাৰতৰ "ৰে'লৱে নেটৱৰ্ক" বিশ্বৰ চতুৰ্থ বৃহত্তম।
- এতিয়ালৈকে ভাৰতত ১৩ হাজাৰতকৈ অধিক যাত্ৰীবাহী আৰু ৮ হাজাৰতকৈ অধিক মালবাহী ৰে'ল গাড়ী চলি আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- চৰকাৰে দীৰ্ঘ দূৰত্বৰ ৰে'ল প্ৰৱৰ্তন কৰি যাতায়ত ব্যৱস্থা আধুনিকীকৰণ কৰিলে।
- দেশৰ ঘৰুৱা উৎপাদন আৰু কেন্দ্ৰীয় চৰকাৰৰ ৰাজহ সংগ্ৰহত ৰে'ল সেৱাৰ অৱদান অন্যতম।
- ৰে'ল ব্যৱস্থাৰ সৈতে ১৩ লাখৰো অধিক কৰ্মচাৰী সংযুক্ত হৈ আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিমান সেৱা



- ১৯৫৩ চনত বিমান সেৱা ৰাষ্ট্ৰীয়কৰণ কৰা হয়।
- ভাৰতীয় বিমানবন্দৰ কৰ্তৃপক্ষ (Airport Authority of India)ই বিমান সেৱাৰ পৰিকল্পনা, পৰিচালনা আৰু আন্তঃগাঁথনিৰ কাম-কাজৰ দায়িত্ব পালন কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



জল পৰিবহণ

- জল পৰিবহণৰ ক্ষেত্ৰত ভাৰত চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।
- বৰ্তমান দেশত প্ৰায় ১৪,৫০০ কিলোমিটাৰ জলপথ আছে।
- ইয়াৰে ১১১টা ৰাষ্ট্ৰীয় জলপথ।
- ভাৰত চৰকাৰে "সাগৰমালা" প্ৰকল্পৰ জৰিয়তে জল পৰিবহণৰ আধুনিকীকৰণ কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

২. শিক্ষাৰ ক্ষেত্ৰত



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- শিক্ষা হৈছে সামাজিক বিকাশ আৰু বৃদ্ধিৰ মূল আহিলা।
- শিক্ষা অবিহনে গুণগত জীৱন যাপন কৰিব নোৱাৰি।
- শিক্ষিত আৰু অশিক্ষিত ব্যক্তিৰ জীৱন ধাৰণৰ মানদণ্ডৰ পার্থক্য দেখা পোৱা যায়।
- এজন নিৰক্ষৰ লোকে বহুতো অসুবিধাৰ সন্মুখীন হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- নিৰক্ষৰতাক সামাজিক ৰোগ বুলি গণ্য কৰা হয়। কাৰণ ইয়াৰ ফলত মানুহ অন্ধবিশ্বাস, কু-সংস্কাৰৰ বলি হৈ বহুতো অমানৱীয় ঘটনা ঘটা দেখা যায়। যেনে ডাইনী হত্যা।
- চৰকাৰ আৰু জনসাধাৰণ উভয়ে একেলগে কাম কৰি এনে কু-অভ্যাস দূৰ কৰিব লাগে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- আমাৰ চৰকাৰে "শিক্ষাৰ অধিকাৰ আইন ২০০৯"ৰ অধীনত জাতি, বৰ্ণ, ধৰ্ম, লিংগ নিৰ্বিশেষে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ শিশুৰ বাবে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিছে।
- সংবিধানে প্ৰাথমিক শিক্ষাক "শিশুৰ মৌলিক অধিকাৰ" হিচাপে স্বীকৃতি দিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ইয়াৰ লগেলগে চৰকাৰৰ বহু ক্ষেত্ৰত দায়িত্ব বৃদ্ধি পাইছে, সেইবোৰ হ'ল —
  - বিনামূলীয়া পাঠ্যপুথি।
  - শিক্ষাক আকৰ্ষণীয় কৰি তুলিবলৈ বিনামূলীয়া মধ্যাহ্ন ভোজন।
  - ধুনীয়া বিদ্যালয়ৰ ভৱন, খোৱাপানীৰ সুবিধা, আৰু শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে পৃথক শৌচাগাৰ নিৰ্মাণ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সংযোগী শিক্ষা কেন্দ্ৰৰ জৰিয়তে বিদ্যালয় বহির্ভুত শিশুসকলক শিক্ষা দিয়া হৈছে যাতে তেওঁলোকক আনুষ্ঠানিক শিক্ষাৰ লগত জড়িত কৰিব পাৰি।
- ঠিক তেনেদৰে উচ্চ আৰু মাধ্যমিক শিক্ষাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ভিতৰত আছে —
  - অট্টালিকা নিৰ্মাণ।
  - শিক্ষক নিযুক্তি।
  - বিজ্ঞান পৰীক্ষাগাৰ স্থাপন কৰা।
  - পুথিভঁৰালৰ বাবে অনুদান।
  - পাঠ্যপুথিৰ বিনামূলীয়া বিতৰণ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- ভাৰত চৰকাৰে দুখীয়া পৰিয়ালৰ ১০ পৰা ১৪ বছৰ বয়সৰ কন্যা শিশুসকলক উচ্চ শিক্ষা প্রদানৰ বাবে ২০০৪ চনত কস্তুৰবা গান্ধী বালিকা বিদ্যালয় (KGVB) নামে আৱাসিক বিদ্যালয় স্থাপন কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- অসমত এনেধৰণৰ ৬৭খন বিদ্যালয় আছে।
- বৰ্তমানলৈকে এই বিদ্যালয়সমূহত ৪,০০০ৰো অধিক কন্যা শিশুৱে উচ্চ শিক্ষা লাভ কৰিছে।
- সম্প্রতি ৰাষ্ট্রীয় শিক্ষা নীতি (NEP) ২০২০ অনুসৰি বিশেষ প্রয়োজনসম্পন্ন শিশুৱে (CWSN) নিয়মীয়া বিদ্যালয় প্রক্রিয়াতে প্রাক্ প্রাথমিকৰ পৰা উচ্চ শিক্ষালৈকে শিক্ষা লাভ কৰাৰ সুযোগ পাব।

মূল্যায়ন



(ক) আমাৰ দেশত শিক্ষাৰ অধিকাৰ আইন কেতিয়াৰ পৰা কাৰ্যকৰী হৈছে?

১) ২০০১

২) ২০০৯

মূল্যায়ন

(খ) প্ৰাথমিক শিক্ষা শিশুৰ কি অধিকাৰ হিচাপে গণ্য কৰা হয় ?

১) মৌলিক অধিকাৰ

২) জন্মগত অধিকাৰ